# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 19-11-2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰিঅ' ডি জেনেৰিঅ'ত জি-২০ শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰে আৰু বিভিন্ন দেশৰ নেতৃবৰ্গৰ সৈতে আলোচনাত মিলিত হয়।

২। ভাৰতে ২০৪৭ চনৰ ভিতৰত বন্দৰসমূহৰ বহনক্ষমতা বছৰি এক কোটি মেট্ৰিক টনলৈ বৃদ্ধি কৰাৰ লক্ষ্য লৈছে বুলি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰকাশ কৰিছে।

৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি গান্ধীনগৰৰ ৰাষ্ট্ৰীয় ৰক্ষা বিশ্ববিদ্যালয়ত সৰ্বভাৰতীয় আৰক্ষী বিজ্ঞান মহাসভাৰ সোণালী জয়ন্তীৰ শুভাৰম্ভ কৰিব।

৪। ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ কাইলৈ অনুষ্ঠিত হ'ব। **আৰু**

৫। ভাৰত আৰু মালয়েছিয়াৰ মাজত কালি হায়দৰাবাদৰ গাছিবৌলি ষ্টেডিয়ামত অনুষ্ঠিত ফিফা আন্তঃৰাষ্ট্ৰীয় প্ৰীতি খেলখন ১-১ গলত ড্ৰ' হয়।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জি-২০ শীৰ্ষ সন্মিলনৰ আপাহতে ফ্ৰান্স, ইটালী, ন'ৰৱে, পৰ্টুগাল আৰু ইণ্ডোনেছিয়াৰ লগতে ভালেকেইখন দেশৰ নেতৃবৰ্গৰ সৈতে ভাৰতৰ লগত থকা সম্পৰ্ক শক্তিশালী আৰু উন্নত কৰাৰ লক্ষ্যৰে আলোচনাত মিলিত হয়।

শ্ৰীমোদীয়ে ফ্ৰান্সৰ ৰাষ্ট্ৰপতি এম্মানুৱেল মেক্ৰঁৰ সৈতে হোৱা আলোচনাত চলিত বৰ্ষত পেৰিছত অলিম্পিক আৰু পেৰালিম্পিক ক্ৰীড়া সমাৰোহ সফলতাৰে অনুষ্ঠিত কৰাৰ বাবে তেওঁক অভিনন্দন জনায়। উভয় দেশে মহাকাশ, শক্তি, কৃত্ৰিম বুদ্ধিমত্তা আৰু ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন সম্ভাৱনামূলক খণ্ডক লৈ আলোচনা কৰা বুলি প্ৰধানমন্ত্ৰীয়ে জানিবলৈ দিয়ে। তেওঁ কয়, যে উভয় দেশৰ জনসাধাৰণৰ মাজৰ সম্পৰ্ক শক্তিশালী কৰিবলৈও তেওঁলোকে কাম কৰিব।

প্ৰধানমন্ত্ৰীয়ে ইটালীৰ প্ৰধানমন্ত্ৰী জিঅ'ৰজিয়া মেল'নিৰ সৈতেও দ্বিপাক্ষিক বৈঠকত মিলিত হয়। বৈঠকত উভয় দেশৰ মাজত থকা নিৰাপত্তা, প্ৰতিৰক্ষা, বাণিজ্য আৰু প্ৰযুক্তিৰ সম্পৰ্ক ত্বৰান্বিত কৰিবলৈ আলোচনা কৰা হয়। ভাৰত আৰু ইটালীৰ মাজত সংস্কৃতি, শিক্ষা আৰু এনেধৰণৰ খণ্ডসমূহক লৈ সহযোগিতা বৃদ্ধি কৰাৰ বিষয়েও বৈঠকত আলোচনা কৰা হয় বুলি শ্ৰীমোদীয়ে জানিবলৈ দিয়ে। আলোচনাকালত দুয়োগৰাকী নেতাই ২০২৫-২৯ বৰ্ষৰ বাবে থকা দেশ দুখনৰ মাজৰ যুটীয়া কৌশলগত সম্পৰ্কক অধিক উন্নত কৰাৰ বিষয়েও কথা পাতে।

প্ৰধানমন্ত্ৰীয়ে ন'ৰৱেৰ প্ৰধানমন্ত্ৰী জ'নাছ গাৰ ষ্টৰৰ সৈতেও আলোচনাত মিলিত হয়। আলোচনাকালত উদ্ভাৱন আৰু গৱেষণাক বিশেষ গুৰুত্ব প্ৰদান কৰা হয়।

শ্ৰীমোদীয়ে শীৰ্ষ সন্মিলনৰ আপাহতে বাণিজ্য, সুৰক্ষা, স্বাস্থ্য আদি বিষয়ত ইণ্ডোনেছিয়াৰ সৈতে থকা সম্পৰ্ক উন্নত কৰাৰ বাবে দেশখনৰ ৰাষ্ট্ৰপতি প্ৰাবোঅ’ ছুবিয়ান্ত’ৰ সৈতেও দ্বিপাক্ষিক বৈঠক মিলিত হয়।

প্ৰধানমন্ত্ৰীগৰাকীয়ে পৰ্টুগালৰ প্ৰধানমন্ত্ৰী লুইছ মণ্টেনেগ্ৰেৰ সৈতেও আলোচনা কৰে। আলোচনাকালত দুয়োগৰাকী নেতাই উভয় দেশৰ অৰ্থনৈতিক সম্পৰ্কক শক্তিশালী কৰাৰ বিষয়ে মত বিনিময় কৰে।

০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কৈছে যে ভাৰতে ২০৪৭ চনৰ ভিতৰত বন্দৰৰ বহনক্ষমতা বছৰি এক কোটি মেট্ৰিক টনলৈ বৃদ্ধি কৰাৰ লক্ষ্য লৈছে। নতুন দিল্লীত কালি অনুষ্ঠিত সাগৰমন্থন - দা গ্ৰেট অ’চেনছ ডাইলগ শীৰ্ষক অনুষ্ঠানত ভাষণ দি সোণোৱালে কয় যে ভাৰতে বন্দৰৰ ক্ষমতা বৃদ্ধি, জাহাজৰ চলাচল তথা অন্তৰ্দেশীয় জলপথ বিকাশৰ বাবে ৮০ লাখ কোটি টকা বিনিয়োগেৰে সামুদ্ৰিক খণ্ডত বৈপ্লৱিক পৰিৱৰ্তন অনাৰ লক্ষ্য গ্ৰহণ কৰিছে। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে, ভাৰতে ভৱিষ্যতে নিকা ইন্ধনেৰে চলা জাহাজ নিৰ্মাণৰ বাবে প্ৰস্তুতি চলাইছে।

ইয়াৰ পাছতে সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত শ্ৰী সোণোৱালে সাগৰমন্থন সন্দৰ্ভত কয় যে এই অনুষ্ঠানে নীল অৰ্থনীতিৰ জৰিয়তে বহনক্ষম উন্নয়নৰ সন্দৰ্ভত গোলকীয় আলোচনাৰ পথ প্ৰশস্ত কৰিছে। তেওঁ লগতে কয় যে ৬০ খনতকৈও অধিক দেশৰ প্ৰতিনিধি আৰু বক্তাই এই আলোচনাত অংশগ্ৰহণ কৰিছে। ভাৰতে বন্দৰ পৰিচালনা, সামগ্ৰী পৰিচালনা, জাহাজ নিৰ্মাণ আৰু আইন সংস্কাৰকে ধৰি সকলো দিশতে বিশ্বৰ আগশাৰীৰ সামুদ্ৰিক ৰাষ্ট্ৰ হোৱাৰ লক্ষ্য ৰাখিছে বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

এই অনুষ্ঠানতে মন্ত্ৰী সোণোৱালে গ্ৰীচৰ সামুদ্ৰিক পৰিক্ৰমা মন্ত্ৰী ক্ৰীষ্টছ ষ্টাইলিয়ানাইডছৰ সৈতেও সুকীয়া আলোচনাত মিলিত হয়। দুয়োগৰাকী নেতাই ২০৩০ চনৰ ভিতৰত দ্বিপাক্ষিক সাগৰীয় বাণিজ্য দুগুণ কৰিবলৈ সন্মত হোৱাৰ লগতে দুয়োখন দেশৰ সামুদ্ৰিক সম্পৰ্ক গভীৰ কৰাৰ ক্ষেত্ৰত সন্মতি প্ৰকাশ কৰে।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি গান্ধীনগৰৰ ৰাষ্ট্ৰীয় ৰক্ষা বিশ্ববিদ্যালয়ত সৰ্বভাৰতীয় আৰক্ষী বিজ্ঞান মহাসভাৰ সোণালী জয়ন্তীৰ শুভাৰম্ভ কৰিব। অনুষ্ঠানত গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেলেও অংশগ্ৰহণ কৰিব। দুদিনীয়া ভ্ৰমণসূচীৰে গুজৰাটলৈ যোৱা শ্ৰী শ্বাহে গুজৰাটত আজি অন্যান্য ভালেমান অনুষ্ঠানত অংশ লোৱাৰ কথা আছে। আজি পুৱাৰ ভাগত কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে এখন ডাক টিকট প্ৰদৰ্শনী মুকলি কৰিব। গান্ধীনগৰৰ দাণ্ডিকুটিৰত ফিলাভিষ্টা শীৰ্ষক এই প্ৰদৰ্শনীৰ আয়োজন কৰা হৈছে। বিয়লিৰ ভাগত তেওঁ হিম্মত নগৰৰ ছবৰ ডেইৰীত ৮০০ মেট্ৰিক টন সামৰ্থ্যৰ পশুৰ খাদ্য উৎপাদন প্ৰকল্প এটাও মুকলি কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰিঅ’ ডি জেনেৰিঅ’ত অনুষ্ঠিত জি-২০ শীৰ্ষ সন্মিলনত ক্ষুধা আৰু দৰিদ্ৰতাৰ বিৰুদ্ধে আন্তঃৰাষ্ট্ৰীয় মিত্ৰজোঁট মুকলি কৰাৰ বাবে ব্ৰাজিলৰ অধ্যক্ষতাৰ অধীনত লোৱা পদক্ষেপৰ

প্ৰশংসা কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে, খাদ্য সুৰক্ষা সুনিশ্চিত কৰাৰ লগতে সমগ্ৰ বিশ্বৰ সহজে বিপদৰ আশংকাৰ সন্মুখীন হোৱা সম্প্ৰদায়সমূহৰ উন্নয়নৰ ক্ষেত্ৰত এই সমন্বিত পদক্ষেপ মাইলৰ খুঁটি হিচাপে পৰিগণিত হ'ব। এই প্ৰচেষ্টাৰ প্ৰতি ভাৰতে সম্পূৰ্ণ সমৰ্থন আগবঢ়াব বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

ooooo

ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ কাইলৈ অনুষ্ঠিত হ'ব। এই পৰ্যায়ত ১২ খন জিলাৰ ৩৮টা সমষ্টি সামৰি লোৱা হ'ব। এই পৰ্যায়ত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী হেমন্ত চোৰেনে বাৰহাইট সমষ্টিৰ পৰা অৱতীৰ্ণ হৈছে। ইপিনে ৰাজ্যখনৰ বিজেপিৰ মুৰববী বাবুলাল মাৰাণ্ডিয়ে ধানৱাৰ আসনৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। নিৰ্বাচনত মুখ্যমন্ত্ৰীৰ পত্নী কল্পনা চোৰেন গাণ্ডেক আৰু ভাতৃ বসন্ত চোৰেনক ডুমকা আসনৰ পৰা প্ৰক্ষেপ কৰা হৈছে। এই পৰ্যায়ত এক কোটি ২৩ লাখতকৈও অধিক ভোটদাতাই ৫৫ গৰাকী মহিলাকে ধৰি মুঠ ৫২৮ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰিবলৈ ১২ খন জিলাৰ ১৪ হাজাৰ ২১৮টা ভোটগ্ৰহণ কেন্দ্ৰ সাজু কৰি তোলা হৈছে। ৰাজ্যখনৰ নিকা আৰু শান্তিপূৰ্ণ নিৰ্বাচন সুনিশ্চিত কৰাৰ স্বাৰ্থত কেন্দ্ৰীয় অৰ্ধসামৰিক বাহিনীৰ ৬০০ কোম্পানী মোতায়েন কৰা হৈছে। ২০১৯ বৰ্ষৰ নিৰ্বাচনত এই ৩৮ খন আসনৰ ভিতৰত ঝাৰখণ্ড মুক্তি মৰ্চাই ১৩ খন, বিজেপিয়ে ১২ খন, কংগ্ৰেছে ৮ খন আৰু চি পি আইয়ে এখন আসন দখল কৰিছিল। উল্লেখযোগ্য যে ২৩ নৱেম্বৰত নিৰ্বাচনৰ ভোটগণনা কৰা হ'ব।

ooooo

কেৰালাৰ পালাক্কাড় বিধানসভা সমষ্টিৰ বাবে হ'বলগা উপ-নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ কালি বিয়লি সামৰণি পৰে। কাইলৈ এই সমষ্টিটোত ভোটগ্ৰহণ কৰা হ'ব। ২৩ নৱেম্বৰত এই উপ-নিৰ্বাচনৰ ভোটগণনা কৰা হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে বিগত বৰ্ষত দিল্লীত অনুষ্ঠিত জি-২০ শীৰ্ষ সন্মিলনৰ এখন পৃথিৱী এটা পৰিয়াল এটা ভৱিষ্যত মূলবাণী চলিত বৰ্ষৰ ব্ৰাজিল সন্মিলনৰ বাবেও প্ৰাসংগিক। ৰিঅ' ডি জেনেৰিঅ'ত অনুষ্ঠিত সন্মিলনৰ সামাজিক অন্তৰ্ভুক্তি আৰু ক্ষুধা আৰু দাৰিদ্ৰ্যৰ বিৰুদ্ধে যুঁজ বিষয়ক অধিৱেশনত ভাষণ দি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে নতুন দিল্লীত অনুষ্ঠিত বিগত বৰ্ষৰ সন্মিলনত গ্ৰহণ কৰা জনকেন্দ্ৰিক সিদ্ধান্তসমূহ ব্ৰাজিলৰ অধ্যক্ষতাৰ সময়ছোৱাত আগবঢ়াই নিয়া হৈছে। জি-২০ ৰাষ্ট্ৰগোষ্ঠীয়ে বহনক্ষম বিকাশৰ লক্ষ্যক গুৰুত্ব দিয়াৰ লগতে সৰ্বাত্মক বিকাশ, মহিলাৰ নেতৃত্বাধীন উন্নয়ন আৰু যুৱ শক্তিত গুৰুত্ব আৰোপ কৰাক লৈ শ্ৰীমোদীয়ে সন্তোষ প্ৰকাশ কৰে।

ooooo

কেন্দ্ৰীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী মনোহৰ লালে কৈছে যে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ দ্বিতীয় সংস্কৰণৰ জৰিয়তে প্ৰতিটো দৰিদ্ৰ পৰিয়ালৰ পকী ঘৰৰ সপোন পূৰ্ণ হ'ব। নতুন দিল্লীত প্ৰধানমন্ত্ৰী নগৰীয়া আৱাস যোজনাৰ দ্বিতীয় সংস্কৰণৰ সন্দৰ্ভত অনুষ্ঠিত এখন ৰাষ্ট্ৰীয় কৰ্মশালা উদ্বোধন কৰি মন্ত্ৰীগৰাকীয়ে কয় যে এই আচনিয়ে প্ৰতক্ষ আৰু পৰোক্ষভাবে ৩ কোটিতকৈও অধিক নিয়োগৰ সুবিধা সৃষ্টি কৰিছে। তেওঁ এই আঁচনিৰ ফলপ্ৰসূ ৰূপায়ণ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগতে সমাজৰ প্ৰতিটো দৰিদ্ৰ

পৰিয়ালে যাতে ইয়াৰ সুবিধা লাভ কৰিব পাৰে সেয়া নিশ্চিত কৰিবলৈ সংশ্লিষ্ট পক্ষসমূহক আহ্বান জনায়।

০০০০০

ভাৰত আৰু মালয়েছিয়াৰ মাজত কালি হায়দৰাবাদৰ গাছিবৌলি ষ্টেডিয়ামত অনুষ্ঠিত ফিফা আন্তঃৰাষ্ট্ৰীয় প্ৰীতি খেলখন ১-১ গলত ড্ৰ হয়। মালয়েছিয়াৰ হৈ খেলখনৰ ১৯ সংখ্যক মিনিটত পাউল জ'ছোৱে গল দিয়াৰ বিপৰীতে ঘৰুৱা দলৰ হৈ ৰাহুল ভেকেইয়ে ৩৯ সংখ্যক মিনিটত গলটো পৰিশোধ কৰে। খেলখনত আগবঢ়োৱা উজ্জীৱিত প্ৰদৰ্শনৰ বাবে ব্ৰেণ্ডন ফাৰ্ণাণ্ডেজক প্লেয়াৰ অৱ দা মেচ সন্মান প্ৰদৰ্শন কৰা হয়।

০০০০০

সমাপ্ত